**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-07-**2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰে। যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ বাবে আজি দেশৰ ৪৭ টা স্থানত যোড়শ নিযুক্তি মেলাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগসমূহত নতুন প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শ্ৰম আৰু নিয়োগ, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰ্যালয়ত যোগদান কৰিব।

নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ পৃষ্ঠপোষকতাত গুৱাহাটী, ডিমাপুৰ আৰু শিলিগুৰিতো পুৱা চাৰে দহ বজাৰ পৰা নিযুক্তি মেলাৰ আয়োজন কৰা হয়।

০০০০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি পুনৰ উচ্ছেদ অভিযান চলায় প্ৰশাসনে প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰে আৰু এহেজাৰ ৭০০টা পৰিয়ালক উচ্চেদ কৰে। বন বিভাগৰ বেটেলিয়ন আৰু আৰক্ষীসহ প্ৰায় ১৬ শ জোৱানে এই অভিযানত সহায় কৰে। অঞ্চলটোৰ বিদ্যাপাৰা, আশুডুবি, বেদবাৰী আদি অঞ্চলৰ পথসমূহত আৰক্ষীয়ে বেৰিকেড তৈয়াৰ কৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে অহা ১৬ জুলাই পুৱা ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী অনুসূচীত জাতিৰ প্ৰাৰ্থীসকলক

সেইদিনা সঠিক সময়ত উপস্থিত থাকি বিনামূলীয়া দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু উন্নত নিয়োগৰ সুযোগৰ বাবে সুবিধা গ্ৰহণ কৰিবলৈ শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই আহ্বান জনাইছে।

০০০০০০

অসমত দুগ্ধ উৎপাদনেৰে স্থানীয় অৰ্থনীতি সৱল কৰাৰ সুন্দৰ সম্ভাৱনা আছে। দুদিনীয়া কাৰ্বি আংলং ভ্ৰমণৰ সময়ছোৱাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি জিলাখনৰ মানজাৰ এটা দুগ্ধ উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰি এই মন্তব্য কৰে। তেওঁ লগতে কয়, যে স্থানীয় অৰ্থনীতি সৱল কৰি তোলাৰ বাবে দুগ্ধ খণ্ডৰ উন্নয়নৰ প্ৰয়োজন। কৃষক আৰু চৰকাৰৰ মাজত সমন্বয় থাকিলেহে দুগ্ধ খণ্ডৰ উন্নয়ন অধিক ত্বৰান্বিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলঙৰ ভ্ৰমণৰ অংশ হিচাপে কালি লংনিতত থকা জলজীৱন মিছনৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। তদুপৰি তেওঁ চৰকাৰৰ বিভিন্ন আঁচনিসমূহ ৰূপায়ণ আৰু হিতাধিকাৰীসকলে সেই আঁচনিসমূহৰ পৰা কেনেদৰে সৰ্বাধিক লাভ পাব পাৰে সেই বিষয় লৈও স্থানীয় লোকৰ সৈতে বাৰ্তালাপ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰিব । অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

ৰঙিয়াৰ পৰা ৰঙাপাৰা-লখিমপুৰ হৈ ডিব্ৰুগড় সংযোগী ৰে'লপথত কালি বিদ্যুৎচালিত যাত্ৰীবাহী ৰে'লৰ যাত্ৰা আৰম্ভ হয়। দিল্লীৰ পৰা ডিব্ৰুগড় অভিমুখী ৰাজধানী এক্সপ্ৰেছ ৰঙিয়া জংছনত উপস্থিত হোৱাৰ পিছতেই এই বিদ্যুৎচালিত ৰে'লপথত যাত্ৰা আৰম্ভ কৰা হয়। ৰঙিয়া ৰে'ল সংমণ্ডলৰ বিষয়া নিৰজ গুপ্তাই এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে, ৪২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথটোৰ বৈদ্যুতিকৰণৰ কাম ২০২২ চনত আৰম্ভ হৈছিল। এই নতুন পদক্ষেপে অঞ্চলটোৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন অধ্যায়ৰ সূচনা কৰাৰ লগতে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০

ষষ্ঠ ৰাষ্ট্ৰীয় মুইথাই ছেম্পিয়নশ্বিপত এলিট ৪৫ কিলোগ্ৰাম শাখাত অসম বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী মনোস্বিনী চক্ৰৱৰ্তীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। হাৰিয়ানাৰ মহৰ্ষি দয়ানন্দ বিশ্ববিদ্যালয়ত আয়োজিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত তেওঁ অসমক প্ৰতিনিধিত্ব কৰিছিল। মুইথাই হৈছে এবিধ সমৰকলা। শাৰিৰীক ক্ষমতাৰ লগতে মানসিক কঠোৰতা আৰু অনুশীলন এই খেলবিধৰ প্ৰয়োজনীয় উপাদান।

০০০০